| | | | |
|---|---|---|---|
| 1. | Name of the Programme | : | Special Lecture Programme of Life, Works & Philosophy of Sri Manta Sankardeva |
| 2. | Date | : | 23. 02. 2021 |
| 3. | In connection with observation of ……..………………………………Day (If any) | : | N/A |
| 4. | Organized by | : | Department of Assamese in Collaboration with Philosophy & Sanskrit Department, B.N. College, Dhubri. |
| 5. | Name of Resource person/judges | : | Dr. Promothesh Bayan, Educationist & Litterateur |
| 6. | Number of participants/students | : | 210 |
| 7. | Name, Class, Roll no of the winners | : | N/A |

8. A brief write up of the programmme (with web snaps/phots):

২৩ ফেব্ৰুৱাৰী, ২০২১ তাৰিখ, মঙ্গলবাৰে দিনৰ ১ বজাৰ পৰা ভোলানাথ মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ উদ্যোগত তথা দৰ্শন আৰু সংস্কৃত বিভাগৰ সহযোগত “মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ জীৱন, সাহিত্য আৰু দৰ্শন” বিষয়ত এটি বিশেষ বক্তৃতা অনুষ্ঠান আয়োজন কৰা হয়। এই বক্তৃতা অনুষ্ঠানত মুখ্য বক্তা হিচাপে বক্তৃতা প্ৰদান কৰে বিজনী মহাবিদ্যালয়ৰ প্ৰাক্তন উপাধক্ষ্য, বিশিষ্ট শিক্ষাবিদ তথা সাহিত্যিক ড° প্ৰমথেশ বায়ন মহোদয়ে। সভাত দৰ্শন বিভাগৰ মুৰব্বী অধ্যাপিকা ৰীতা বৰা, সংস্কৃত বিভাগৰ মুৰব্বী অধ্যাপিকা ড° মৌচুমী ভট্টাচাৰ্য, অসমীয়া বিভগৰ অৱসৰপ্ৰাপ্ত প্ৰাক্তন মুৰবী অধ্যাপক ড° দ্বিপেন্দ্ৰ কুমাৰ অধিকাৰী, অসমীয়া বিভাগৰ মুৰব্বী অধ্যাপক ড° উপেন্দ্ৰজিৎ শৰ্মা, অসমীয়া বিভাগৰ সহযোগী অধ্যাপক ড° কৰুণা কান্ত দাস, ড° অলকা শৰ্মা, দৰ্শন বিভাগৰ সহযোগী অধ্যাপিকা নৱনীতা দেৱী, সংস্কৃত বিভাগৰ সহকাৰী অধ্যাপক চন্দ্ৰশেখৰ উপাধ্যায়, অসমীয়া বিভাগৰ সহকাৰী অধ্যাপিকা ড° পলী বেজবৰুৱা আৰু ছাইফুল হাছান উপস্থিত থাকে। অসমীয়া, দৰ্শন আৰু সংস্কৃত বিভাগৰ প্ৰায় দুই শতাধিক ছাত্ৰ-ছাত্ৰীৰ উপস্থিতিত মুখ্য বক্তা ড° প্ৰমথেশ বায়ন ডাঙৰীয়াই শংকৰদেৱৰ জীৱন, সাহিত্য তথা দৰ্শন সম্পৰ্কে এক বিস্তৃত, বিশ্লেষণাত্মক বক্তৃতা প্ৰদান কৰি অনুষ্ঠানটি মনোগ্ৰাহী তথা সাৰ্থক কৰি তোলে।












# ধুবুৰীৰ ভোলানাথ কলেজত বিশেষ বক্তৃতা অনুষ্ঠান সম্পন্ন

প্ৰতিদিন বিশেষ সেৱা, ধুবুৰী, ২৩ ফেব্ৰুৱাৰী ঃ ধুবুৰী ভোলানাথ মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ উদ্যোগত আৰু দৰ্শন বিভাগ আৰু সংস্কৃত বিভাগৰ সহযোগত আজি মহাপুৰুষ শংকৰদেৱৰ জীৱন-সাহিত্য আৰু দৰ্শন বিষয় সন্দৰ্ভত এখন বিশেষ বক্তৃতা অনুষ্ঠানৰ আয়োজন কৰা হয়। অনুষ্ঠানৰ আৰম্ভণিতে সংস্কৃত ভাষাত মংগলাচৰণ কৰে সংস্কৃত বিভাগৰ মুৰব্বী অধ্যাপক ড° মৌচুমী ভট্টাচাৰ্যই। অনুষ্ঠানৰ লক্ষ্য-উদ্দেশ্যৰ বিষয়ে কয় অসমীয়া বিভাগৰ মুৰব্বী অধ্যাপক ড° উপেন্দ্ৰজিত শৰ্মাই। ভাষণত ড° শৰ্মাই কয়— 'শংকৰদেৱ বহুধা গুণসম্পন্ন ব্যক্তি। শংকৰদেৱক নাজানিলে আমাৰ জ্ঞান, দৰ্শন পৰিপূৰ্ণ হ'ব বুলি আমি দাবী কৰিব নোৱাৰো।' শংকৰদেৱৰ জীৱন, সাহিত্য আৰু দৰ্শন সন্দৰ্ভত বক্তব্য আগবঢ়ায় বিজনী মহাবিদ্যালয়ৰ অৱসৰী উপাধ্যক্ষ, বিশিষ্ট শিক্ষাবিদ, গৱেষক সাহিত্যিক ড° প্ৰমথেশ বায়নে। ভাষণ প্ৰসংগত ড° বায়নে শংকৰদেৱৰ ধৰ্মীয় দৰ্শন, মানৱতাবাদ, অসমীয়া জাতি গঠন প্ৰক্ৰিয়া আদিৰ বিষয়ে কয়। অনুষ্ঠানৰ বিশিষ্ট অতিথিৰ ভাষণ প্ৰদান কৰে অসমীয়া বিভাগৰ অৱসৰী অধ্যাপক ড° দ্বীপেন্দ্ৰ কুমাৰ অধিকাৰীয়ে। অনুষ্ঠানত শলাগৰ শৰাই আগবঢ়ায় দৰ্শন বিভাগৰ মুৰব্বী অধ্যাপক গীতা বৰাই। অনুষ্ঠানত অসমীয়া বিভাগৰ ড° অলকা শৰ্মা, ড° কৰুণাকান্ত দাস, ড° পল্লী বেজবৰুৱা, ছাইফুল হাছান, দৰ্শন বিভাগৰ নৱনীতা দেৱী, নমিতা পামেগাম, কাকলি বেজবৰুৱা, সংস্কৃত বিভাগৰ ড° চন্দ্ৰশেখৰ উপাধ্যায় উপস্থিত থাকে। অনুষ্ঠানত অসমীয়া, দৰ্শন আৰু সংস্কৃত বিভাগৰ লগতে আন আন বিভাগৰ দুই শতাধিক ছাত্ৰ-ছাত্ৰীয়ে অংশগ্ৰহণ কৰে।

কংগ্ৰেছে ১৫ বছৰে অসম বচাব নো